Total number of printed pages–7

63/1 (SEM–1) CC2/ASMHC1026

2024

ASSAMESE

Paper : ASMHC1026

(History of Assamese Language)

Full Marks : 80

Pass Marks : 32

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) পৃথিৱীৰ সৰ্বপ্ৰথম ভাষাগোষ্ঠীটোৰ নাম কি?

(i) ছেমীয়–হেমীয়

(ii) ককেছীয়

(iii) ইণ্ডো-ইউৰোপীয়

(iv) দ্ৰাবিড়

Contd.

(খ) কোনে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীক শতম্ আৰু কেন্তুম্ এই শাখাত ভাগ কৰে?

(i) ভট্টদেৱ

(ii) নাথান ব্রাউন

(iii) পানিনি

(iv) এচকোলি

(গ) সাহিত্যিক প্রাকৃতৰ ভাগ কেইটা?

(i) ৩টা

(ii) ৪টা

(iii) ৫টা

(iv) ৬টা

(ঘ) *Linguistics survey of India* গ্রন্থখনৰ লেখক কোন?

(i) টাবা পৰোৱালা

(ii) জন আব্রাহাম গ্রীয়ার্চন

(iii) নাথান ব্রাউন

(iv) উইলিয়াম ৱৰিন্সন

(ঙ) অসমীয়া ভাষাৰ মূল প্রাকৃত কি?

(i) মহাৰাষ্ট্রী

(ii) শৌৰসেনী

(iii) মাগধী

(iv) পৈশাচী

(চ) 'চর্যাচর্যবিনিশ্চয়' ত কিমানজন সিদ্ধাচার্যৰ গীত সংকলিত হৈছে?

(i) ২৪

(ii) ২৫

(iii) ২৬

(iv) ২৭

(ছ) "শূন্য-পূৰাণ"ৰ ৰচয়িতা কোন?

(i) ৰামাই পণ্ডিত

(ii) বড়ো চণ্ডীদাস

(iii) ভট্টদেৰ

(iv) শংকৰদেৱ

Scanned with OKEN Scanner

(ঞ) "অৰুনোদই" কেতিয়া প্ৰকাশ হৈছিল?

(i) ১৮৪০

(ii) ১৮৪২

(iii) ১৮৪৫

(iv) ১৮৪৬

(ঝ) "বভ্রুৱাহনৰ যুদ্ধ" কাৰ ৰচনা?

(i) শংকৰদেৱ

(ii) হৰিবৰ বিপ্ৰ

(iii) মাধৱ কন্দলী

(iv) ৰুদ্ৰ কন্দলী

(ঞ) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখন কোন চনত ৰচিত হৈছিল?

(i) ১৯৩৯

(ii) ১৯৪২

(iii) ১৯৪৫

(iv) ১৯৫০

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) 'অৰুনোদই' যুগৰ *দুজন* লেখকৰ নাম লিখা।

(খ) যুদ্ধকাব্যৰ ৰচয়িতা কোন? তেওঁ ৰচিত *যিকোনো* এখন যুদ্ধকাব্যৰ বিষয়ে লিখা।

(গ) "অসমীয়া ভাষাৰ মূল মাগধী প্ৰাকৃত" – ইয়াৰ সপক্ষে যুক্তি আগবঢ়োৱা *দুজন* ব্যক্তিৰ নাম লিখা।

(ঘ) "কামৰূপী প্ৰাকৃত" কি?

(ঙ) ভট্টদেৱে ৰচনা কৰা *যিকোনো দুখন* গ্ৰন্থৰ নাম লিখা।

(চ) ব্ৰজৱলী ভাষা বুলিলে কি বুজা?

(ছ) *দুখন* ব্যৱহাৰিক গ্ৰন্থৰ নাম লিখা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) চৰ্যাপদৰ ভাষা সম্পৰ্কে চমুকৈ লিখা।

(খ) অসমীয়া ভাষালৈ তিব্বত-বৰ্মী ভাষাৰ অৱদান সম্পৰ্কে চমু আলোকপাত কৰা।

(গ) ভট্টদেৱৰ গদ্যৰ ভাষা – এই সম্পৰ্কে চমুকৈ লিখা।

(ঘ) ব্ৰজবুলি ভাষাৰ কেইটামান বৈয়াকৰণিক বৈশিষ্ট্য দাঙি ধৰা।

Scanned with OKEN Scanner

(ঙ) অংকীয়া নাটৰ ভাষা সম্পৰ্কে কি জানা লিখা।

(চ) মাধৱ কন্দলী ৰামায়ণৰ ভাষিক বৈশিষ্ট্যতা বিচাৰ কৰা।

(ছ) মিচনেৰী সাহিত্যত প্ৰয়োগ হোৱা ভাষা সম্পৰ্কে চমুকৈ লিখা।

(জ) বেজবৰুৱাই তেখেতৰ ৰচনাৰাজিত প্ৰয়োগ কৰা ভাষা সম্পৰ্কে কি জানা লিখা।

(ঝ) জয়ন্তী কাকতৰ অসমীয়া ভাষালৈ আগবঢ়োৱা অৱদানৰ বিষয়ে চমুকৈ লিখা।

(ঞ) কামৰূপী উপভাষাৰ ভাষিক বৈশিষ্ট্যতা বিচাৰ কৰা।

৪। তলৰ দিয়া প্ৰশ্নসমূহৰ *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ

১০×২=২০

(ক) 'শ্ৰীকৃষ্ণকীৰ্ত্তন' আৰু অসমীয়া ভাষাৰ মাজত থকা ভাষাতাত্ত্বিক সম্পৰ্ক বিচাৰ কৰা।

(খ) বুৰঞ্জী গদ্যৰ ভাষা সম্পৰ্কে বহলাই আলোচনা কৰা।

(গ) অৰুনোদই স্তৰৰ ভাষাৰ বৈশিষ্ট্যতা সম্পৰ্কে আলোচনা কৰা।

(ঘ) চৰিত সাহিত্যৰ ভাষা সম্পৰ্কে বিশদভাৱে আলোচনা আগবঢ়োৱা।

৫। তলৰ দিয়া প্ৰশ্নসমূহৰ *যিকোনো এটাৰ* উত্তৰ লিখা ঃ

১৪×১=১৪

(ক) অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(গ) প্ৰাচীন অসমীয়া ভাষা স্তৰত প্ৰতিফলিত হোৱা ভাষিক বৈশিষ্ট্যতাৰাজিৰ বিষয়ে আলোচনা কৰা।

———

560

Scanned with OKEN Scanner

Total number of printed pages–7

63/1 (SEM–1) CC1/ASMHC1016

2024

ASSAMESE

Paper : ASMHC1016

(History of Assamese Literature)

Full Marks : 80

Pass Marks : 32

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

ক) 'অসমীয়া লোকগীতি সঞ্চয়ন'–গ্ৰন্থখনৰ ৰচক কোন?

i) ড° হেমন্ত কুমাৰ শর্মা

ii) ড° মহেশ্বৰ নেওগ

iii) ড° নবীনচন্দ্ৰ শর্মা

iv) ড° লীলা গগৈ

Contd.

খ) অসমীয়া লোকসাহিত্যৰ কোনবিধ ৰূপক 'দহৰ জ্ঞান একৰ বাণী'—বুলি কোৱা হয় —

i) সাধুকথা

ii) মালিতা

iii) নিচুকনি গীত

iv) প্ৰবাদ-প্ৰবচন-যোজনা আদি

গ) কবি হবিবৰ বিপ্ৰই কমতাপুৰৰ কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

i) ইন্দ্ৰনাৰায়ণ

ii) দুৰ্লভ নাৰায়ণ

iii) তাম্ৰধ্বজ

iv) আৰিমত্ত

ঘ) অসমীয়া সাহিত্যৰ শংকৰীযুগৰ কোনগৰাকী কবিক 'অসমীয়া ব্যাস' আখ্যা দিয়া হৈছে?

i) অনন্ত কন্দলী

ii) শ্ৰীধৰ কন্দলী

iii) মাধৱদেৱ

iv) ৰামসৰস্বতী

SEM1/A/4

ঙ) "গীতি ৰামায়ণ" কাব্যখনিৰ কবি কোন?

i) কবি পীতাম্বৰ

ii) কবি দুৰ্গাবৰ

iii) সুকবি নাৰায়ণদেৱ

iv) চন্দ্ৰভাৰতী

চ) "Grammatical Notices of the Assamese Language" — শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?

i) নাথান ব্ৰাউন

ii) মাইলচ্ ব্ৰন্সন

iii) এ. কে. গাৰ্নি

iv) নিধিৰাম ফাৰৱেল।

ছ) গুণাভিৰাম বৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি আছিল?

i) আসাম নিউজ

ii) আসাম বন্ধু

iii) আসাম মিহিৰ

iv) আসাম বিলাসিনী

Scanned with OKEN Scanner

জ) "বনকুৱৰী" কবিতাৰ কবি গৰাকীৰ নাম কি?

i) চন্দ্রকুমাৰ আগৰৱালা

ii) হেমচন্দ্র গোস্বামী

iii) পদ্মনাথ গোহাঞি বৰুৱা

iv) আনন্দচন্দ্র আগৰৱালা

ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ এখন কাব্য গ্রন্থৰ নাম হ'ল–

i) বীণা বৰাগী

ii) কদমকলি

iii) জিলিকনি

iv) জুৰণি

ঞ) "হে অৰণ্য, হে মহানগৰ"–কবিতা পুথিখনৰ ৰচক হ'ল–

i) হেম বৰুৱা

ii) হৰি বৰকাকতি

iii) নৱকান্ত বৰুৱা

iv) ভৱানন্দ দত্ত

২। চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

ক) সাধুকথাৰ *দুটা* বৈশিষ্ট্য লিখা।

খ) গোৱালপৰীয়া লোকগীতৰ *যিকোনো দুটা* প্রকাৰৰ নাম লিখা।

গ) মাধৱ কন্দলীয়ে কোন গৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল? তেওঁক কোন শতিকাৰ কবি বুলি ধৰা হৈছে?

ঘ) বৰগীতৰ *দুটা* প্রধান বৈশিষ্ট্য উল্লেখ কৰা।

ঙ) উত্তৰ শংকৰীযুগৰ *দুখন* ধর্মমূলক গদ্য পুথিৰ নাম লিখা।

চ) অৰুনোদই কাকত কেতিয়া প্রকাশ পাইছিল? ইয়াৰ প্রথম সম্পাদক কোন আছিল?

ছ) প্রথম অসমীয়া চনেট কবিতাটিৰ নাম কি? ইয়াৰ কবি গৰাকীৰ নাম কি আছিল।

জ) ৰামধেনু যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

ঝ) আধুনিক কবিতাৰ *দুটা* আংগিক বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলত দিয়া প্রশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

ক) বিহুগীতবোৰ কোন শ্রেণীৰ গীত? বিহুগীতৰ প্রধান ভাগ কেইটাৰ বিষয়ে চমুকৈ লিখা?

Scanned with OKEN Scanner

খ) "অসমীয়া প্রবাদ-প্রবচন" সম্পর্কে এটি টোকা লিখা।

গ) প্রাক শংকৰীযুগৰ অসমীয়া সাহিত্য সম্পর্কে *এটি* টোকা প্রস্তুত কৰা।

ঘ) অসমীয়া পাঁচালী কবি বুলি কোন কেইজন কবিৰ কথা কোৱা হয়? পাঁচালী সাহিত্যৰ 'পাঁচালী' নামকৰণ সম্পর্কে চমুকৈ লিখা।

ঙ) মহাপুৰুষ শংকৰদেৱৰ 'অংকীয়া নাট' সম্পর্কে এটি টোকা প্রস্তুত কৰা।

চ) ভট্টদেৱৰ গদ্য সাহিত্যৰ আলমত গদ্যৰীতি সম্পর্কে এটি চমু আলোচনা আগবঢ়োৱা।

ছ) অসমীয়া ভাষা সাহিত্যলৈ ড° নাথান ব্রাউনৰ অৱদান সম্পর্কে চমুকৈ লিখা।

জ) পণ্ডিত হেমচন্দ্র গোস্বামীৰ সাহিত্য কৃতিৰ বিষয়ে চমুকৈ লিখা।

ঝ) 'আৱাহন' যুগৰ গল্প সাহিত্যৰ বৈশিষ্ট্য সম্পর্কে এটি টোকা প্রস্তুত কৰা।

ঞ) অসমীয়া উপন্যাস সাহিত্যলৈ বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ অৱদান সম্পর্কে চমুকৈ লিখা।

৪। তলৰ *যিকোনো দুটা* প্রশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

ক) অসমীয়া লোকসাহিত্যৰ কেইটা ভাগত ভাগ কৰা হৈছে? এই ভাগবোৰ কি কি? ইয়াৰে যিকোনো এটা ভাগৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

খ) চৰিত সাহিত্য কি? অসমীয়া চৰিত সাহিত্যৰ বিভিন্ন দিশ সামৰি এটি আলোচনা প্রস্তুত কৰা।

গ) অসমীয়া সাহিত্যত ৰমন্যবাদৰ সূচনা কেতিয়া হৈছিল? অসমীয়া ৰমন্যাসবাদী কবিতাৰ সাধাৰণ বিশেষত্বসমূহৰ আলোচনা কৰা।

ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সাহিত্যৰ বিভিন্ন ধাৰা সম্পর্কে এটি আলোচনা প্রস্তুত কৰা।

৫। তলৰ *যিকোনো এটা* প্রশ্নৰ উত্তৰ লিখা ঃ ১৫

ক) কবি হৰিবৰ বিপ্রৰ চমু পৰিচয় দি তেওঁৰ সাহিত্য কৃতি বিভিন্ন দিশ সামৰি এটি আলোচনা আগবঢ়োৱা।

খ) বুৰঞ্জী সাহিত্য কাৰ অৱদান? অসমীয়া বুৰঞ্জী সাহিত বিভিন্ন দিশ সামৰি এটি প্রৱন্ধ ৰচনা কৰা।

গ) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ ক্ষেত্রত কি কি ন বিষয়বস্তু আৰু আংগিক ক্ষেত্রত পৰিলক্ষিত হয়, সম্পর্কে এটি আলোচনা আগবঢ়োৱা।

Scanned with OKEN Scanner

Total number of printed pages–4

63(FY) (SEM-1) IDC/ASMIDC1013

2024

ASSAMESE

Paper : ASMIDC1013

(Writing Materials of Assam)

Full Marks : 50
Pass Marks : 20

Time : 2 hours

The figures in the margin indicate full marks for the questions

১. শুদ্ধ উত্তৰটো বাচি উলিওৱা ঃ ১×৫=৫

(ক) 'অসমীয়া প্ৰাচীন লিপি' গ্ৰন্থখনৰ প্ৰণেতা কোন?

(i) মহেশ্বৰ নেওগ (ii) নাৰায়ণ দাস

(iii) মহেন্দ্ৰ বৰা (iv) সৰ্বেশ্বৰ কটকী

(খ) তলৰ কোনখন তাম্ৰশাসন ভাস্কৰৰ্মাৰ ৰাজত্ব কালৰ?

(i) নিধনপুৰ তাম্ৰশাসন

(ii) হায়ুংথল তাম্ৰশাসন

(iii) হাওৰাঘাট তাম্ৰশাসন

(iv) পৰ্বতীয়া তাম্ৰশাসন

Contd.

(গ) কানাই বৰশী বোৱা লিপিৰ সময় কিমান?

(i) একাদশ শতিকা (ii) দ্বাদশ শতিকা

(iii) ত্রয়োদশ শতিকা (iv) চতুর্দশ শতিকা

(ঘ) আত্মাৰাম শর্মাৰ 'ধর্ম পুস্তক' কিমান চনত প্রকাশ পায়?

(i) ১৮১৩ চনত (ii) ১৮৪৬ চনত

(iii) ১৮৮৯ চনত (iv) ১৮৯০ চনত

(ঙ) অসমীয়া ভাষাৰ প্রথম দৈনিক বাতৰি কাকতখন কি?

(i) অৰুণোদই (ii) দৈনিক বাতৰি

(iii) দৈনিক অসম (iv) দৈনিক জন্মভূমি

২. তলত দিয়া প্রশ্নসমূহৰ চমু উত্তৰ লিখা *(যিকোনো পাঁচটা)* ঃ ২×৫=১০

(ক) 'ব' আৰু 'ৱ' আখৰৰ স্পষ্ট পার্থক্য থকা পুৰণি অসমীয়া লিপিখনক কি নামেৰে জনা যায়? এই লিপিৰ কথাখিনি কি ভাষাত লিখা।

(খ) কাইথেলী লিপিত ৰচিত দুখন পুথিৰ নাম লিখা।

(গ) ভূর্জপত্র কিহৰ পৰা প্রস্তুত কৰা হয়? প্রাচীন অসমত কোন শ্রেণীৰ সাহিত্য ভূর্জপত্রত লিখা হৈছিল?

(ঘ) কুটনী আৰু আকমাৰী কি?

(ঙ) সম্প্রদায় ভিত্তিত নামকৰণ হোৱা দুটা লিপিৰ নাম লিখা।

(চ) বাতৰি কাকতৰ বৈশিষ্ট্য লিখা।

(ছ) ঊনবিংশ শতিকাৰ অসমত প্রতিষ্ঠিত দুটা ছপাশালৰ নাম লিখা।

৩. তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখা *(যিকোনো পাঁচটা)* ঃ ৫×৫=২৫

(ক) উমাচল লিপিৰ পৰিচয় দিয়া।

(খ) চমুটোকা লিখা ঃ ডুবি তাম্রশাসন

আমবাৰী শিলালিপি

(গ) কাপ, মহীচুঙা আৰু বিন্ধনাৰ বিষয়ে লিখা।

(ঘ) তালপাত কি? তালপাতক লেখন সামগ্রীলৈ ৰূপান্তৰ কৰাৰ পদ্ধতি সম্পর্কে লিখা।

(ঙ) চিয়াঁহিক সংস্কৃতত কি বুলি কোৱা হয়? পুৰণি অসমত চিয়াঁহি কেনেকৈ প্রস্তুত কৰা হৈছিল বর্ণনা কৰা।

(চ) অসমত প্রাপ্ত তাম্রলিপিসমূহৰ এটি পৰিচয়মূলক টোকা আগবঢ়োৱা।

(ছ) 'লেখক' আৰু 'লিখক'-ৰ প্রভেদ কি? পুৰণি কালত লেখকক কি কি নামেৰে উল্লেখ কৰা হৈছিল তাও এটি চমু আলোচনা আগৱঢ়োৱা।

(জ) আধুনিক ছপা মাধ্যমৰ সুবিধা আৰু অসুবিধা সমূহৰ বিষয়ে লিখা।

Scanned with OKEN Scanner

৪. তলত *যিকোনো এটি* প্রশ্নৰ উত্তৰ লিখা ঃ ১০

(ক) প্রাচীন অসমৰ হাতেলিখা পুথিৰ লিখন সামগ্রী সম্পর্কে বহলাই আলোচনা কৰা।

(খ) অসমীয়া ভাষাও আলোচনা আৰু সংবাদপত্রৰ ইতিহাস সম্পর্কে এটি আলোনা যুক্ত কৰা।

Total number of printed pages–4

63 (FY)SEM–1/AEC/ASMAEC1012

2024

ASSAMESE

Paper : ASMAEC1012

(Study on Folk Medicine of Assam)

Full Marks : 50

Pass Marks : 20

Time : Two hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৫=৫

(ক) পুৰণি ভাৰতীয় চিকিৎসা পদ্ধতিটোৰ নাম হৈছে—

(i) আয়ুৰ্ৱেদ

(ii) ধনুৰ্ৱেদ

(iii) অথৰ্ৱৱেদ

(iv) যজুৰ্ৱেদ

Contd.

(খ) প্রামাণিক কন্দৰৰ গ্ৰন্থখনৰ ৰচক কোন?

(i) সুকদেৱ
(ii) গুণাৱামখনিকৰ
(iii) নৱীন চন্দ্ৰ শৰ্মা
(iv) বিৰিঞ্চি কুমাৰ বৰুৱা

(গ) হালধিৰ আন এটা নাম হ'ল

(i) হৰীতকী
(ii) পথ্যা
(iii) হৰিদ্ৰা
(iv) হৈমৱতী

(ঘ) ব্যাধিৰ প্ৰকাৰ কেইটা

(i) ২টা
(ii) ৪টা
(iii) তিনিটা
(iv) ৫টা

(ঙ) গ্ৰহণী ৰোগৰ মহৌষধ ফলবিধ হৈছে

(i) কল
(ii) খেজুৰ
(iii) বেল
(iv) আপেল

২। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

(ক) *হস্তিবিদ্যাৰ্ণৱ* পুথিখন কোনজন আহোম স্বৰ্গদেউ আৰু কোনগৰাকী ৰাজকুৱৰীৰ নিৰ্দেশত ৰচনা কৰা হৈছিল?

(খ) সৌন্দৰ্য চৰ্চাত ব্যৱহৃত *দুবিধ* ফলৰ নাম লিখা।

(গ) অসমত পৰম্পৰাগতভাৱে পোৱা *দুবিধ* চাউলৰ নাম লিখা।

(ঘ) চুলি গৰাৰ *দুটা* প্ৰধান কাৰণ উল্লেখ কৰা।

(ঙ) ঔষধি গুণযুক্ত *দুবিধ* ফুলৰ নাম লিখা।

(চ) দাঁতৰ বিষ নিৰাময়ৰ বাবে পৰম্পৰাগতভাৱে অৱলম্বন কৰা *দুটা* উপায় উল্লেখ কৰা।

(ছ) উচ্চ ৰক্তচাপৰ পৰা উপশম পাবলৈ ব্যৱহাৰ কৰা *দুবিধ* পৰম্পৰাগত ঔষধৰ নাম আৰু প্ৰয়োগ উল্লেখ কৰা।

৩। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৫=২৫

(ক) আমলখি আৰু হালধিৰ ঔষধি গুণবোৰ উল্লেখ কৰি *দুয়োবিধৰে* বিভিন্ন প্ৰকাৰৰ নাম আৰু প্ৰয়োগ উল্লেখ কৰা।

(খ) পৰম্পৰাগত অসমীয়া খাদ্যৰ চমু পৰিচয় দি এটি টোকা প্ৰস্তুত কৰা।

Scanned with OKEN Scanner

(গ) ডাকৰ বচনৰ মাজেৰে ৰোগনিৰাময়ৰ কথাবোৰ কেনেদৰে পৰিস্ফুট হৈছে চমুকৈ আলোচনা কৰা।

(ঘ) বহুমূত্ৰ ৰোগত ব্যৱহৃত বনৌষধি সম্পৰ্কে এক চমু আলোচনা দাঙি ধৰা।

(ঙ) টেঙা খাদ্যদ্ৰব্যৰ ঔষধি গুণ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) তিতা খাদ্যদ্ৰব্যৰ ঔষধি গুণবোৰ আলোচনা কৰি এটি চমু টোকা প্ৰস্তুত কৰা।

(ছ) পৰম্পৰাগত চিকিৎসা আৰু ইয়াৰ প্ৰায়োগিক দিশ সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা।

৪। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০

(ক) বিভিন্ন ৰোগ আৰু ইয়াৰ নিৰাময়ৰ বাবে প্ৰয়োগ হোৱা বিবিধ বনৌষধিৰ প্ৰয়োগ সম্পৰ্কে আলোকপাত কৰি এটি প্ৰৱন্ধ যুগুত কৰা।

(খ) পৰম্পৰাগত চিকিৎসা আৰু আধুনিক চিকিৎসাৰ মাজত সমন্বয় সম্ভৱ নে? যদি সম্ভৱ যথাযথ যুক্তিৰ অধাৰত আলোচনা কৰা।

---

63 (FY)SEM-1/MIN1/ASMMIN1014

2024

ASSAMESE

Paper : ASMMIN1014

(History and Trends of Assamese Literature)

Full Marks : 70

Pass Marks : 28

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ লেখক হ'ল

(i) মহেশ্বৰ নেওগ

(ii) সত্যেন্দ্রনাথ শর্মা

(iii) হৰিনাথ শর্মা দলৈ

(iv) হেমন্ত কুমাৰ শর্মা

Contd.

(খ) চর্য্যাপদৰ প্ৰধান সিদ্ধাচার্য গৰাকীৰ নাম কি?

(i) মীননাথ

(ii) লুইপাদ

(iii) সৰহপাদ

(iv) ভুসুকপাদ

(গ) মাধৰ কন্দলীয়ে কোনজনা ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি সাহিত্য ৰচনা কৰিছিল?

(i) মহামাণিক্য

(ii) দুর্লভ নাৰায়ণ

(iii) শ্ৰীমন্ত তাম্ৰধ্বজ

(iv) ইন্দ্ৰ নাৰায়ণ

(ঘ) 'বভ্রুবাহনৰ যুদ্ধ' গ্ৰন্থখনৰ ৰচক কোন?

(i) মাধৰ কন্দলী

(ii) হৰিবৰ বিপ্ৰ

(iii) ৰুদ্ৰ কন্দলী

(iv) হেম সৰস্বতী

(ঙ) 'দেৱজিৎ' কোনজন কবিৰ ৰচনা ?

(i) হেম সৰস্বতী

(ii) হৰিবৰ বিপ্ৰ

(iii) কবিৰত্ন সৰস্বতী

(iv) মাধৱ কন্দলী

(চ) শংকৰদেৱৰ প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি?

(i) ভক্তিপ্ৰদীপ

(ii) হৰিশ্চন্দ্ৰ উপাখ্যান

(iii) পত্নীপ্ৰসাদ

(iv) কীৰ্ত্তন ঘোষা

(ছ) মাধৱদেৱ বিৰচিত পূৰ্ণাঙ্গ নাটকখনৰ নাম কি?

(i) অৰ্জুন ভঞ্জন

(ii) চোৰ ধৰা

(iii) দধিমহান

(iv) ভোজন বেহাৰ

Scanned with OKEN Scanner

(জ) মনকৰে ৰচনা কৰা পুথিখনৰ নাম হ'ল

(i) বেউলা আখ্যান (মনসাকাব্য)

(ii) পদ্মপুৰাণ

(iii) মার্কণ্ডেয় চণ্ডী

(iv) নল-দময়ন্তী

(ঝ) অৰুণোদই আলোচনীখন প্রকাশ হৈছিল

(i) ১৮২৬

(ii) ১৮৩৬

(iii) ১৮৪৬

(iv) ১৮৫০

(ঞ) 'আৱাহন' আলোচনীৰ মুখ্য পৃষ্ঠপোষক আছিল

(i) দীননাথ শর্মা

(ii) নগেন্দ্র নাৰায়ণ চৌধুৰী

(iii) হোমেন বৰগোহাঞি

(iv) লক্ষ্মীনাথ ফুকন

২। তলৰ *যিকোনো পাঁচটা* প্রশ্নৰ উত্তৰ লিখা ঃ ২×৫=১০

(ক) অসমৰ দুবিধ লোকগীতৰ নাম লিখা।

(খ) 'হাজাৰ বছৰৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা' কোনে, কিমান চনত প্রকাশ কৰিছিল?

(গ) হৰিবৰ বিপ্র বিৰচিত দুখন কাব্যগ্রন্থৰ নাম লিখা।

(ঘ) শংকৰদেৱ আৰু মাধৱদেৱে ৰামায়ণৰ কোন দুটা কাণ্ড অনুবাদ কৰিছিল?

(ঙ) 'নামঘোষা'ত কিমানটা ঘোষা আছে? ইয়াক কিয় 'হেজাৰী ঘোষা' বোলা হয়?

(চ) 'ইংলেণ্ডৰ বিৱৰণ' কোনে লিখিছিল? এই পুথিখন কোনখন কাকতত প্রকাশ পাইছিল?

(ছ) ৰামধেনু যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

৩। তলত দিয়াসমূহৰ বিষয়ে লিখা ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) চর্য্যাপদৰ ৰচনাকাল আৰু ধর্মতত্ত্ব

(খ) প্রাক্-শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

Scanned with OKEN Scanner

(গ) ৰঙ্গীতৰ বিষয়বস্তুৰ পৰিচয়

(ঘ) মালিতা বা কাহিনী গীত

(ঙ) আনন্দৰাম ঢেকিয়াল ফুকন

(চ) অসমীয়া ৰোমাণ্টিক কবিতা

(ছ) ৰামধেনু যুগৰ গল্পৰ বৈশিষ্ট্য

(জ) আৱাহন যুগৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য

(ঝ) মনকৰৰ সাহিত্যকৃতি

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) চৰ্য্যাপদত অসমীয়া সমাজ জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে বিৱৰি লিখা।

(খ) অনুষ্ঠানমূলক লোকগীত কাক বোলে? অসমীয়া অনুষ্ঠান-মূলক লোকগীতৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) 'মাধৱদেৱৰ নাট্য প্ৰতিভা' সন্দৰ্ভত আলোচনা কৰা।

(ঘ) অসমীয়া ভাষা সাহিত্যলৈ আমেৰিকান খৃষ্টীয়ান মিছনেৰী সকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

Scanned with OKEN Scanner

63/1 (SEM–1) GE1/DSC/
ASMHG1016/ASMRC1016

2024

ASSAMESE

Paper : ASMHG1016/ASMRC1016

(Introduction to Assamese Folk Literature)

Full Marks : 80

Pass Marks : 32

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' গ্ৰন্থখনৰ লেখক কোন?

(i) ড° নবীন চন্দ্ৰ শৰ্মা

(ii) ড° লীলা গগৈ

(iii) ড° বিৰিঞ্চি বৰুৱা

(iv) ড° প্ৰফুল্ল দত্ত গোস্বামী

(খ) অসমীয়া লোকসাহিত্যক কেইটা ভাগত ভাগ কৰিব পাৰি?

(i) চাৰিটা

(ii) তিনিটা

(iii) দুটা

(iv) ওপৰৰ এটাও নহয়

(গ) আলি আই লৃংগা কোন জনগোষ্ঠীৰ নৃত্য?

(i) মিচিং

(ii) তিৱা

(iii) ৰাভা

(iv) বড়ো

(ঘ) লোকসাহিত্যৰ কোনটো ৰূপ আটাইতকৈ পৰিবৰ্তনশীল বুলি কোৱা হয়?

(i) লোকগীত

(ii) প্ৰবাদ প্ৰৰচন

(iii) সাধুকথা

(iv) কাহিনী গীত

(ঙ) তলৰ কোনবিধ লোক-নাট্যানুষ্ঠান গোৱালপৰীয়া লোকনাট্যানুষ্ঠান ৰূপে পৰিচিত?

(i) কুশান গান

(ii) পুতলা নাচ

(iii) আপী ওজা

(iv) ঢুলীয়া নাচ

(চ) বাৰমাহী গীতৰ মূল বিষয়বস্তু কি?

(i) বাৰমাহৰ বৰ্ণনা

(ii) প্ৰকৃতিৰ বৰ্ণনা

(iii) বীৰত্বৰ বৰ্ণনা

(iv) প্ৰোষিতভৰ্তৃকা নাৰীৰ বিৰহ বৰ্ণনা

(ছ) 'মৈষাল গীত' অসমৰ কোনটো অঞ্চলৰ লোকগীত?

(i) কামৰূপ

(ii) মৰিগাঁও

(iii) গোৱালপাৰা

(iv) বৰপেটা

Contd.

Scanned with OKEN Scanner

(জ) উইলিয়াম ৱিচার্ড বেচকমে মৌখিক সাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

(i) পাঁচটা

(ii) চাৰিটা

(iii) তিনিটা

(iv) দুটা

(ঝ) নাহৰৰ গীত কোন শ্ৰেণীৰ কবিতা?

(i) বুৰঞ্জীমূলক

(ii) পুৰাণগত

(iii) বাৰমাহী

(iv) জনশ্ৰুতিমূলক

(ঞ) 'অসমীয়া মানুহৰ ইতিহাস' গ্ৰন্থৰ লেখক কোন?

(i) নগেন সইকীয়া

(ii) ড° বিৰিঞ্চি কুমাৰ বৰুৱা

(iii) ড° লীলা গগৈ

(iv) ড° নবীন চন্দ্ৰ শৰ্মা

২। তলৰ প্ৰশ্নসমুহৰ চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) অসমীয়া ভক্তিমূলক লোকগীতৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) অসমীয়া প্ৰবাদ-প্ৰবচনৰ *দুটা* উদাহৰণ দিয়া।

(গ) বনগীত আৰু হুঁচৰি গীতৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(ঘ) বিয়াগীত কোন শ্ৰেণীৰ লোকগীত? নামনি অসমত বিয়াগীতক কি বুলি কোৱা হয়?

(ঙ) 'Ballad' শব্দৰ অসমীয়া প্ৰতিশব্দ কি? এই শব্দটো ক'ৰ পৰা আহিছে?

(চ) দৰ পূজা কি? ই কিহৰ লগত জড়িত?

(ছ) 'মহো-হো গীত' আৰু বাম্বোলপিটা গীত কেতিয়া গোৱা হয়?

৩। উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) দেউল উৎসৱ কি? ই কিহৰ লগত জড়িত?

(খ) অসমীয়া নিচুকনি গীতৰ বিষয়ে নটি টোকা লিখা।

(গ) লোকগীতসমূহৰ বৈশিষ্ট্যসমূহৰ পৰিচয় দিয়া।

Scanned with OKEN Scanner

(ঘ) বুৰঞ্জীমূলক কাহিনী গীত কাক বোলে? এনে গীতৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঙ) খুলীয়া ভাউৰীয়া লোকনাট্যানুষ্ঠান কি আৰু কোন অঞ্চলত প্ৰচলিত চমুকৈ লিখা।

(চ) বিহু প্ৰধানকৈ কেইটা আৰু কি কি বহলাই লিখা।

(ছ) পটন্তৰ বিলাকত অসমীয়া জনজীৱনৰ চিত্ৰ কেনেদৰে ঠাই পাইছে চমুকৈ লিখা।

(জ) পুতলা নাচৰ বিষয়ে টোকা লিখা।

(ঝ) অসমীয়া লোকসমাজত প্ৰচলিত জন্তু বিষয়ক সাধুবোৰৰ বিষয়ে লিখা।

(ঞ) অসমৰ জনজাতীয় লোকৰ কৃষিভিত্তিক উৎসৱৰ গীত সম্পৰ্কে টোকা লিখা।

৪। *তলৰ যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) ওজাপালি বুলিলে কি বুজা? ওজাপালিৰ শ্ৰেণীবিভাগ-সমূহ আলোচনা কৰা।

(খ) অসমীয়া অনুষ্ঠানমুলক লোকগীত বুলিলে কি বুজা? এনে গীতৰ বিষয়ে এটি নিৱন্ধ ৰচনা কৰা।

(গ) অসমীয়া উৎসৱ-পাৰ্বনৰ লোকগীত সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। *তলৰ যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) ভক্তিমূলক লোকগীত বুলিলে কি বুজা? অসমীয়া সাহিত্যত ভক্তিমূলক লোকগীত কোনবোৰ বহলাই লিখা।

(খ) অসমীয়া লোকসাহিত্যত প্ৰবাদ-প্ৰবচনবোৰে কিদৰে সাহিত্যৰ ভৰাল চহকী কৰিছে বহলাই লিখা।

(গ) অসমীয়া লোকসাহিত্যৰ মাজেৰে লোকজীৱনৰ প্ৰতিফলন ঘটিছে — ইয়াৰ যুক্তিযুক্ততা বিচাৰ কৰা।

Scanned with OKEN Scanner

63/1 (Sem–1) AECC1/ASMAE1012

2024

ASSAMESE

Paper : ASMAE1012

[Functional Assamese (Communication)]

Full Marks : 50

Pass Marks : 20

Time : Two hours

The figures in the margin indicate full marks for the questions.

১। তলত দিয়া প্রশ্নসমূহৰ শুদ্ধ উত্তৰটো বাচি উলিওৱা ঃ *(যিকোনো পাঁচটা)* 1×5=5

(ক) *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* পুথিখন কাৰ ৰচনা ?

(i) গোলোক চন্দ্ৰ গোস্বামী

(ii) উপেন্দ্ৰ নাথ গোস্বামী

(iii) কালিৰাম মেধি

(iv) বাণীকান্ত কাকতি

Contd.

(খ) অসমীয়া ভাষাত তই / তুমি কোন পুৰুষৰ ৰূপ?

(i) প্ৰথম পুৰুষ

(ii) দ্বিতীয় পুৰুষ

(iii) তৃতীয় পুৰুষ

(iv) এটাও নহয়

(গ) অসমীয়া ভাষাৰ 'ক' কোনটো শব্দ বিভক্তিৰ চিন?

(i) প্ৰথমা বিভক্তি

(ii) দ্বিতীয়া বিভক্তি

(iii) তৃতীয়া বিভক্তি

(iv) পঞ্চমী বিভক্তি

(ঘ) সংস্কৃতৰ শ, ষ, স – এই ধ্বনি অসমীয়াত উচ্চাৰণৰ স্থান কি?

(i) দন্ত্য

(ii) মূৰ্ধন্য

(iii) দন্ত্যমূলীয়

(iv) তালব্য

(ঙ) অসমীয়া ভাষাত অনিয়মিত ক্ৰিয়া কেইটা ?

(i) দুটা

(ii) তিনিটা

(iii) চাৰিটা

(iv) পাঁচটা

(চ) তলৰ কোনটো অসমীয়া স্ত্ৰীলিংগবাচক ৰূপ নহয়?

(i) বাজী

(ii) ধাত্ৰী

(iii) মদাহী

(iv) শিপিনী

(ছ) তলৰ কোনটো অসমীয়া বহুবচনৰ ৰূপ সংস্কৃত মূলৰ নহয় ?

(i) গণ

(ii) বৃন্দ

(iii) সকল

(iv) বোৰ

Scanned with OKEN Scanner

(জ) তলৰ কোনটো অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ৰূপ নহয়?

(i) মান

(ii) চেৰেক

(iii) দিয়েক

(iv) বিলাক

(ঝ) ধাতু মূলতঃ অসমীয়া ভাষাত কেইটা ?

(i) দুটা

(ii) তিনিটা

(iii) চাৰিটা

(iv) এটাও নহয়

(ঞ) অসমীয়া ভাষাত শব্দ বিভক্তি কেই প্ৰকাৰৰ ?

(i) পাঁচ

(ii) ছয়

(iii) সাত

(iv) আঠ

২। তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* 2×5=10

(ক) অঘোষ আৰু সঘোষ ধ্বনি কাক বোলে? উদাহৰণ দিয়া।

(খ) সমাপিকা ক্ৰিয়া আৰু অসমাপিকা ক্ৰিয়া কাক বোলে? উদাহৰণ দিয়া।

(গ) লিংগ কাক বোলে? ই কেই প্ৰকাৰ আৰু কি কি?

(ঘ) অসমীয়াত পদ কাক বোলে? ই কেই প্ৰকাৰ আৰু কি কি?

(ঙ) অব্যয় পদ কাক বোলে? উদাহৰণ দিয়া।

(চ) অসমীয়া ভাষাৰ 'হ' ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ কি, লিখা?

(ছ) অসমীয়া স্বৰ 'আ' উচ্চাৰণৰ স্থান (জিভা) আৰু মুখৰ অৱস্থান কেনে ধৰণৰ?

৩। তলত দিয়া *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ 5×5=25

(ক) বিশিষ্ট স্বৰধ্বনি কাক বোলে? অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ এখনি তালিকা প্ৰস্তুত কৰা।

(খ) কাৰক কাক বোলে? ই কেই প্ৰকাৰ আৰু কি কি? উদাহৰণেৰে সৈতে বুজাই লিখা।

Scanned with OKEN Scanner

(গ) বক্তৃতা এটি তৈয়াৰ কৰিবলৈ কি কি গুণৰ ওপৰত গুৰুত্ব দিব লাগে, লিখা।

(ঘ) আৰ্হি পাঠ চোৱা ব্যক্তিজনৰ কি কি জ্ঞানৰ প্ৰয়োজন হয় —চমুকৈ লিখা।

(ঙ) যতি বা বিৰাম চিহ্ন কি? ইয়াৰ প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখা।

(চ) বাতৰি এটা প্ৰস্তুত কৰিবলৈ কি কি কথাৰ ওপৰত গুৰুত্ব দিব লাগে—চমুকৈ লিখা।

(ছ) পুৰুষবাচক নিৰ্দিষ্ট প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখা।

(জ) শব্দ বিভক্তি কি? ই কেই প্ৰকাৰ আৰু কি কি? উদাহৰণেৰে সৈতে শব্দবিভক্তিৰ এখনি তালিকা প্ৰস্তুত কৰা।

(ঝ) অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ এখনি তালিকা প্ৰস্তুত কৰা।

৪। তলৰ *যিকোনো এটি* প্ৰশ্নৰ উত্তৰ লিখা ঃ $10\times1=10$

(ক) তোমাৰ অঞ্চলত বিশুদ্ধ খোৱা পানীৰ অভাৱ হৈছে। গতিকে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিবৰ কাৰণে জিলা উপযুক্ত বিষয়ালৈ এখনি আৱেদন প্ৰস্তুত কৰা।

(খ) তোমাৰ ওচৰ-পাজৰৰ গাওঁবোৰত মাদক দ্ৰব্য সেৱনৰ প্ৰকোপ বাঢ়িছে। সেয়েহে, ইয়াৰ বিৰুদ্ধে সজাগতা সভা পতাৰ বাবে জিলা স্বাস্থ্য বিষয়ালৈ এখনি আবেদন লিখা।

(গ) তোমাৰ মহাবিদ্যালয়ত 'ছাত্ৰ-দিৱস' উপলক্ষে এখনি বক্তৃতা প্ৰস্তুত কৰা।

———

Scanned with OKEN Scanner

Total number of printed pages– 6

63/1 (SEM–3) CC6/ASMHC3066

2024

ASSAMESE

Paper : ASMHC3066

(Study on Assamese Drama)

Full Marks : 80

Pass Marks : 32

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। তলৰ দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) শ্ৰীকৃষ্ণই নাৰদ মুনিৰ পৰা পোৱা পাৰিজাত ফুলপাহ কাক পিন্ধাই দিছিল?

(i) সত্যভমা

(ii) ৰুক্মিণী

(iii) যশোদা

(iv) দৈৱকী

(খ) 'হতিভেন' কোনখন নাটকৰ চৰিত্ৰ?

(i) ৰূপালীম

(ii) কাৰেঙৰ লিগিৰী

(iii) শোনিত কুঁৱৰী

(iv) লভিতা

(গ) 'কংসবধ' নাটৰ মূল বা প্ৰধান ৰস কোন বিধ?

(i) বীৰৰস

(ii) হাস্যৰস

(iii) কৰুণৰস

(iv) ভক্তিৰস

(ঘ) ৰূপালীমৰ প্ৰেমিক গৰাকীৰ নাম কি?

(i) জুনাফা

(ii) মায়াব'

(iii) মণিমুগ্ধ

(iv) ৰুক্মবীৰ

(ঙ) 'ৰুক্মিণী হৰণ' নাটৰ সৰ্বমুঠ গীতৰ সংখ্যা কিমান?

(i) ১৯টা

(ii) ২০টা

(iii) ২১টা

(iv) ২২টা

(চ) 'কংসবধ' নাটখনৰ বচক হ'ল

(i) নাৰায়ণ দাস ঠাকুৰ আতা

(ii) মথুৰা দাস আতা

(iii) শ্ৰীৰাম আতা

(iv) গোপাল আতা

(ছ) তলত উল্লেখিত কোনখন এৰচার্ড নাটক নহয়?

(i) আহাৰ

(ii) মৃগতৃষ্ণা

(iii) নিবাৰণ ভট্টাচার্য্য

(iv) ৰূপালীম

(জ) ৰূপালীম নাটকখন কিমান চনত ৰচিত?

(i) ১৯৬০

(ii) ১৯৩০

(iii) ১৯৩৬

(iv) ১৯৬৩

(ঝ) মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা ৰচিত অংকীয়া নাট কেইখন?

(i) ৭খন

(ii) ৬খন

(iii) ৫খন

(iv) ৪খন

(ঞ) শ্রীনিবাৰণ ভট্টাচার্য্য নাটকখনত কিমানটা চৰিত্রৰ সমাবেশ ঘটিছে?

(i) ১০টা

(ii) ১১টা

(iii) ১২টা

(iv) ১৪টা

২। তলৰ প্রশ্নসমূহৰ চমু উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) 'ৰুক্মিণী হৰণ' নাটৰ ভাট দুজনৰ নাম লিখা।

(খ) মণিমুগ্ধই ৰূকমী ৰাজ্যপুৰি চাৰখাৰ কৰা বুলি কোনে কাক খবৰ দিছিল?

(গ) জ্যোতিপ্রসাদ আগৰৱলা দেৱৰ ৰচিত দুখন নাটৰ নাম লিখা।

(ঘ) 'ৰূপালীম' নাটকখনত প্রভাৱ পৰা বিদেশী নাট্যকাৰ আৰু নাটকখনৰ নাম কি?

(ঙ) শ্রীনিবাৰণ ভট্টাচার্য্যৰ জীয়ৰী গৰাকীৰ নাম কি আৰু কি বিষয়ত স্নাতকোত্তৰ উপাধিধাৰী?

(চ) শংকৰোত্তৰ যুগৰ দুজন নাট্যকাৰৰ নাম লিখা।

(ছ) 'কংসবধ' নাটকৰ ৰচক কোন আৰু মূল কাৰ পৰা নোৱা হৈছে?

৩। তলৰ *যিকোনো ছয়টা* প্রশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) 'ৰুক্মিণী হৰণ' নাটৰ মদনমঞ্জৰী চৰিত্রটি বিশ্লেষণ কৰা।

(খ) কংসই কৃষ্ণক কিয় আৰু কেনেদৰে বধ কৰিব বিচাৰিছিল?

(গ) 'শ্রীনিবাৰণ ভট্টাচার্য্য' নাটকৰ মঞ্চসজ্জা সম্পর্কে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) শংকৰোত্তৰ যুগৰ নাটৰ বৈশিষ্ট্য সম্পর্কে আলোচনা আগবঢ়োৱা।

(ঙ) 'ৰূপালীম' নাটক মায়াৰ'ৰ চৰিত্রটো বিশ্লেষণ কৰা।

(চ) অৰুণ শর্মাৰ নাটকৰ বিশেষত্বসমূহ কি কি লিখা।

(ছ) 'হৰিবংশ' আৰু শংকৰদেৱ ৰচিত 'পাৰিজাত হৰণ'ৰ নাৰদ চৰিত্রটিৰ এটি তুলনা কৰা।

(জ) ৰূপালীম নাটকত চিত্রিত তোমাৰ ভাল লগা চৰিত্রটো কাৰণ দর্শাই আলোচনা কৰা।

(ঝ) অংকীয়া নাটত সূত্রধাৰ চৰিত্রৰ ভূমিকাৰ বিষয়ে এটি মূল্যায়ন কৰা।

(ঞ) 'ৰুক্মিণী হৰণ' নাটৰ কলা-কৌশল সম্পর্কে আলোচনা কৰা।

৪। তলৰ *যিকোনো দুটা* প্রশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) শ্রীৰাম আতাৰ 'কংসবধ' নাটৰ আদর্শ কি? ইয়াৰ কাহিনী বিকাশ আৰু চৰিত্রচিত্রণ সম্পর্কে এটি প্রৱন্ধ যুগুত কৰা।

Scanned with OKEN Scanner

(খ) 'কংসবধ' নাটত বিভিন্ন ৰসৰ কেনেদৰে সমাহাৰ হৈছে, উদাহৰণসহ উল্লেখ কৰা।

(গ) "চৰিত্ৰৰ বিচিত্ৰতা দাঙি ধৰাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালা সফল হৈছে।"
ৰূপালীম নাটকখনৰ আধাৰত এই উক্তিৰ বিচাৰ কৰা।

(ঘ) অংকীয়া নাটৰ বৈশিষ্ট্য সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য্য' নাটকৰ মূল আকৰ্ষণ ই'য়াৰ অনুভূতিৰ গভীৰতা আৰু কাব্যিক সংবেদনশীলতা। মন্তব্যটিৰ যথাৰ্থতা বিচাৰ কৰা।

(খ) নাট্যকাৰে কিদৰে সাদৃশ্য আৰু বৈসাদৃশ্য ৰীতিৰ সহায় লৈছে, বিশদভাৱে আলোচনা কৰা।

(গ) কাল্পনিক নাটক হিচাপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকখন বিচাৰ কৰা।

63/1 (SEM–3) CC7/ASMHC3076

2024

ASSAMESE

Paper : ASMHC3076

(Introduction to Assamese prose and Criticism)

Full Marks : 80

Pass Marks : 32

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'শ্ৰীকৃষ্ণৰ পূৰ্ৱৰাগ' পাঠটি'ৰ আধাৰ গ্ৰন্থ

(i) কালিয়দমন নাট

(ii) অৰ্জুন ভঞ্জন নাট

(iii) ৰাম বিজয় নাট

(iv) ৰুক্মিণী হৰণ নাট

Contd.

(খ) অসমীয়া গদ্য সাহিত্যৰ জনক

(i) শংকৰদেৱ

(ii) ভট্টদেৱ

(iii) দামোদৰদেৱ

(iv) ৰাম সৰস্বতী

(গ) 'গুৰুসেৱা মাহাত্ম্য' প্ৰৱন্ধটিৰ লিখক

(i) ভট্টদেৱ

(ii) গোপালদেৱ

(iii) গোপাল মিশ্ৰ

(iv) গোপাল চৰণ দ্বিজ

(ঘ) কোন গৰাকী মোগল সম্ৰাটৰ দিনত চিত্ৰশিল্পৰ নতুন ধাৰা পোনপ্ৰথমে ভাৰতত প্ৰৱেশ কৰে?

(i) আকবৰ

(ii) ঔৰংজেৱ

(iii) বাবৰ

(iv) টাইমূৰ খাঁ

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কোনখন নাটক তৰুণ বয়সৰ?

(i) কাৱেঙৰ লিগিৰী

(ii) ৰূপালীম

(iii) খনিকৰ

(iv) শোণিত কুঁৱৰী

(চ) 'কথাগীতা' ৰচনা কৰোঁতে ভট্টদেৱে কোনগৰাকী টীকা ভাষ্যকাৰৰ মতে ৰচনা কৰিছে?

(i) শ্ৰীধৰী

(ii) শংকৰী

(iii) দামোদৰী

(iv) ভাস্কৰী

(ছ) ব্ৰাউন চাহাবৰ পত্ৰখন কোন স্থানৰ পৰা লিখা হৈছিল?

(i) নুয়ৰ্ক নগৰ

(ii) আমেৰিকা

(iii) আফ্ৰিকা

(iv) লণ্ডন

Scanned with OKEN Scanner

(জ) গীতা তত্ত্বকথা শ্রীকৃষ্ণই কাৰ আগত কৈছিল?

(i) নকুল

(ii) যুধিষ্ঠিৰ

(iii) ভীম

(iv) অর্জুন

(ঝ) কোনগৰাকী কবিৰ মতে 'ধর্মৰ সংস্কাৰ নহ'লে সাহিত্যৰ সংস্কাৰ হ'ব নোৱাৰে?

(i) লক্ষ্মীনাথ বেজবৰুৱা

(ii) মফিজুদ্দিন আহমদ হাজৰিকা

(iii) পদ্মনাথ গোহাঞিবৰুৱা

(iv) কমলাকান্ত ভট্টাচার্য

(ঞ) ঈশ্বৰ প্রাপ্তিৰ ঘাই বাট হ'ল

(i) এটা

(ii) দুটা

(iii) তিনিটা

(iv) চাৰিটা

২। *এটা বা দুটা* বাক্যত তলৰ প্রশ্নসমূহৰ উত্তৰ লিখা : *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) "হে গুরু, তুহু পাঠ করহ, হামু সুনিয়ে রহ।।" কথাযাৰ কোনে কাক কৈছিল?

(খ) সাহিত্যত করুণৰস কি কি ধৰণে প্রকাশ পায়?

(গ) হোমাৰ আৰু ডান্টেৰ করুণৰসাত্মক গ্রন্থ *দুখনৰ* নাম কি কি?

(ঘ) গুরু কেইপ্রকাৰৰ আৰু কি কি?

(ঙ) ভট্টদেৱৰ গদ্য সম্পর্কীয় *দুখন* গ্রন্থৰ নাম লিখা।

(চ) অজন্তাৰ ছবিবোৰত কি কি ভাব প্রকাশ পাইছে?

(ছ) ড০ বাণীকান্ত কাকতিয়ে কোনজন অসমীয়া কবিৰ স্বদেশপ্রেমমূলক গীতি কবিতা কেইটি ইংৰাজীত অনুবাদ কৰিছে? ইংৰাজী অনুদিত ৰূপটোৰ নাম কি?

৩। তলত দিয়া *যিকোনো ছয়টা* প্রশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) 'শ্রীকৃষ্ণৰ পূর্বৰাগ' অধ্যায়ৰ আধাৰত কৃষ্ণৰ চৰিত্রটো বিশ্লেষণ করা।

(খ) স্থিতপ্রজ্ঞৰ লক্ষণ কি? বর্ণনা করা।

(গ) জ্ঞানযোগ কাক বোলে? বর্ণনা করা।

(ঘ) 'ভাৰতীয় সংস্কৃতি সমন্বয়ৰ সংস্কৃতি' কথাযাৰৰ তাৎপর্য বিচাৰ করা।

Scanned with OKEN Scanner

(ঙ) বৈষ্ণৱ সাহিত্য সমালোচনাত ড° বাণীকান্ত কাকতিৰ স্থান নির্ণয় কৰা।

(চ) 'হে মধুসূদন, তাৰা যদি আমাক মাৰে তথাপি আমি তাৰাক মাৰিবে ইচ্ছা নকৰি।' কোনে কেতিয়া কি কাৰণে এইদৰে কৈছিল? বর্ণনা কৰা।

(ছ) "কৰুণ ৰসেই জীৱন ৰস।" কথাষাৰ তাৎপর্য বুজাই লিখা।

(জ) কুৰুক্ষেত্ৰৰ যুদ্ধক্ষেত্ৰত শ্রীকৃষ্ণৰ শিক্ষাৰ মূল কথা কি? বর্ণনা কৰা।

(ঝ) 'গুৰু সেৱা মাহাত্ম্য' পাঠৰ আধাৰত গুৰু ভক্তিৰ মহিমা বর্ণনা কৰা।

(ঞ) উনবিংশ শতিকাৰ নৱজাগৰণৰ উন্মেষত বেপ্তিছ মিছনেৰীসকলৰ ভূমিকা সম্পর্কে চমুকৈ লিখা।

৪। তলৰ দিয়া *দুটা* প্রশ্নৰ উত্তৰ দিয়া ঃ ১০×২=২০

(ক) নাথান ব্রাউনৰ পত্রখনত ব্রাউনৰ অসমপ্রেম কেনেদৰে প্রতিফলিত হৈছে, বিশ্লেষণ কৰা।

(খ) উনবিংশ শতিকাৰ নৱজাগৰণ সম্পর্কে বিশদভাৱে বর্ণনা কৰা।

(গ) সমালোচনা সাহিত্যৰ বৈশিষ্ট্য উল্লেখ কৰি অসমীয়া সমালোচনা সাহিত্য সম্পর্কে বিশদভাৱে আলোচনা কৰা।

(ঘ) 'ধর্ম পুৰণি অসমীয়া সমাজৰ ঘাই ধৰণী আছিল' কথাষাৰ 'ধর্ম' প্রৱন্ধটোৰ আধাৰত বুজাই লিখা।

৫। তলৰ *যিকোনো এটা* প্রশ্নৰ উত্তৰ দিয়া ঃ ১৪

(ক) 'দেহাত্ম বিবেক' সম্পর্কে ভগৱান শ্রীকৃষ্ণই অর্জুনক কিদৰে বুজনি দিছিল, বিশদভাৱে ব্যাখ্যা কৰা।

(খ) 'অসমীয়া ভাষাত ডক্টৰ কাকতি সাহিত্য সমালোচক আৰু সাংস্কৃতিক ইতিহাসৰ গৱেষক।' উক্ত কথাষাৰ মহেশ্বৰ নেওগৰ 'বাণীকান্ত কাকতিৰ ৰচনা' শীর্ষক পাঠৰ আধাৰত বিচাৰ কৰা।

(গ) 'সাহিত্যত কৰুণ ৰস' পাঠটিৰ মূল বিষয়বস্তুখিনি চমুকৈ আলোচনা কৰা।

Scanned with OKEN Scanner

Total number of printed pages –7

63/1 (SEM–3) SEC1/ASMSE3012

2024

ASSAMESE

Paper : ASMSE3012

(Folklore and Tourism of Assam)

Full Marks : 50

Pass Marks : 20

Time : Two hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো পাঁচটা)* ১×৫=৫

(ক) Folklore শব্দটোৰ অসমীয়া প্ৰতিশব্দটো হল —

(i) লোক-কলা

(ii) লোক-বিদ্যা

(iii) লোক-কথা

(iv) লোক-ৰীতি

(খ) তলৰ কোনটো সাংস্কৃতিক পৰ্যটনৰ অন্তৰ্গত?

(i) কাজিৰঙা

(ii) সত্ৰীয়া নৃত্য

(iii) চৰাইদেউ

(iv) কাৰেংঘৰ

(গ) ভাস্কৰ বৰ্মণৰ ৰাজত্বকালত কোন গৰাকী পৰ্যটক কামৰূপলৈ আহিছিল?

(i) হিউৱেন চাঙ

(ii) ফাহিয়ান

(iii) ইবনবটুতা

(iv) চাংকিয়েন

(ঘ) তলৰ কোনটো বিশ্ব পৰ্যটন দিৱস হিচাপে পালন কৰা হয়?

(i) ১৫ মাৰ্চ

(ii) ৩১ মে

(iii) ২১ জুন

(iv) ২৭ চেপ্তেম্বৰ

(ঙ) ফাৰকান্‌তি নৃত্য তলৰ কোনটোৰ সৈতে জড়িত?

(i) কৃষিৰ সৈতে

(ii) ধৰ্মীয় কৃত্যৰ সৈতে

(iii) বিবাহৰ সৈতে

(iv) উৎসৱৰ সৈতে

(চ) 'উত্তৰ পূৰ্বাঞ্চলৰ লোকসংস্কৃতি' গ্ৰন্থখনৰ লেখক—

(i) নিৰ্মল প্ৰভা বৰদলৈ

(ii) নবীন চন্দ্ৰ শৰ্মা

(iii) লীলা গগৈ

(iv) বিৰিঞ্চি কুমাৰ বৰুৱা

(ছ) শংকৰ দেৱৰ তিথি—

(i) ঋতুকালীন উৎসৱ

(ii) পঞ্জিকাশ্ৰয়ী উৎসৱ

(iii) সংস্কাৰমূলক উৎসৱ

(iv) সীমিত অংশ গ্ৰহণ কৰা উৎসৱ

Contd.

Scanned with OKEN Scanner

(জ) আলি-আই-লিগাং তলৰ কোনটো জনগোষ্ঠীৰ উৎসৱ?

(i) ৰৱো-কছাৰীসকলৰ উৎসৱ

(ii) ডিমাচাসকলৰ উৎসৱ

(iii) মিচিংসকলৰ উৎসৱ

(iv) কাৰ্বিসকলৰ উৎসৱ

(ঝ) নামদাঙৰ শিলৰ সাঁকো কোন জিলাত অৱস্থিত?

(i) তিনিচুকীয়া

(ii) শিৱসাগৰ

(iii) যোৰহাট

(iv) ডিব্রুগড়

(ঞ) উত্তৰ পূবৰ ভিতৰত আটাইতকৈ ডাঙৰ কাঁহ শিল্পৰ কেন্দ্ৰ আছে

(i) সৰ্থেবাৰী

(ii) হাজো

(iii) শিৱসাগৰ

(iv) ছয়গাঁও

(ট) মনোহ ৰাষ্ট্ৰীয় উদ্যান কোন জিলাত অৱস্থিত?

(i) কোকৰাঝাৰ

(ii) বাক্সা জিলা

(iii) বঙাইগাঁও জিলা

(iv) বৰপেটা জিলা

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) বিহুগীতৰ ভাগ দুটা কি কি?

(খ) অসমৰ দুটা নদী দ্বীপৰ নাম লিখা।

(গ) লোকনৃত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) অসমৰ দুখন আকৰ্ষণীয় পৰ্যটনস্থলীৰ নাম লিখা।

(ঙ) পূজা-পাতলৰ সৈতে জড়িত দুবিধ লোকনৃত্যৰ নাম লিখা।

(চ) দুবিধ ঋতুকালীন উৎসৱৰ নাম লিখা।

(ছ) বাহিৰৰ পৰ্যটকে ভাল পাব পৰা দুবিধ খাদ্যসামগ্ৰীৰ নাম লিখা।

Scanned with OKEN Scanner

৩। চমু টোকা লিখা ঃ *(যিকোনো পাঁচটা)* ৫×৫=২৫

(ক) মুখা শিল্প

(খ) ওজাপালি অনুষ্ঠান

(গ) চৰাইদেউ

(ঘ) মালিনী থান

(ঙ) মানাহ ৰাষ্ট্রীয় উদ্যান

(চ) বাগৰুম্বা

(ছ) ব্রহ্মপুত্র নদ

(জ) সূর্য পাহাৰ

(ঝ) অসমীয়া ৰন্ধন প্রণালী

৪। তলৰ *যিকোনো এটা* প্রশ্নৰ উত্তৰ দিয়া ঃ ১০

(ক) লোকসংস্কৃতি বুলিলে কি বুজা? ইয়াৰ প্রধান ভাগসমূহ কি কি? *যিকোনো এটা* ভাগৰ বিষয়ে বহলাই আলোচনা কৰা। ১+১+৮=১০

(খ) সাংস্কৃতিক পর্যটন বুলিলে কি বুজা? অসমৰ অর্থনীতিৰ বিকাশত সাংস্কৃতিক পর্যটনৰ গুৰুত্ব সম্পর্কে আলোচনা কৰা। ২+৮=১০

(গ) পর্যটন বুলিলে কি বুজা? পর্যটনৰ প্রধান উপাদানসমূহৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

Scanned with OKEN Scanner

Total number of printed pages–7

63/1 (SEM–3) GE3/DSC/
ASMHG3036/ASMRC3036

2024

ASSAMESE

Paper : ASMHG3036/ASMRC3036

(Study on Assamese Prose and Biography)

Full Marks : 80

Pass Marks : 32

Time : Three hours

The figures in the margin indicate full marks for the questions.

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) ভট্টদেৱৰ আচল নাম কি?

(i) দামোদৰ দেৱ

(ii) বৈকুণ্ঠনাথ ভট্টাচার্য

(iii) ৰাম ৰায়

(iv) গোপাল আতা

Contd.

(খ) 'ৰামৰ বন গমন' পাঠটি কৰ পৰা লোৱা হৈছে?

(i) আদিকাণ্ড

(ii) অৰণ্যকাণ্ড

(iii) অযোধ্যাকাণ্ড

(iv) সুন্দৰাকাণ্ড

(গ) ৰামচৰণ ঠাকুৰ ৰচিত চৰিত পুথিখন হ'ল

(i) শংকৰ চৰিত

(ii) শংকৰদেৱ চৰিত

(iii) গুৰুলীলা

(iv) শংকৰদেৱ-মাধৱদেৱ চৰিত

(ঘ) জাৰী শ্ৰেণীৰ গীত মূলতঃ

(i) দেশপ্ৰেমমূলক

(ii) কৰুণৰসাত্মক

(iii) প্ৰেমমূলক

(iv) ভক্তিমূলক

(ঙ) 'বাথৌ' পূজা কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত?

(i) মিছিং

(ii) ডিমাছা

